অসম

মুখ্যমন্ত্রীৰ কঠোৰ নির্দেশ: জাগুনত আইন উলংঘাকাৰী বাহনৰ বিৰুদ্ধে তীব্ৰ অভিযান বহু যান-বাহন জব্দ।

মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাৰ কঠোৰ নির্দেশৰ পাছতে পথ দুর্ঘটনা ৰোধ আৰু যান-বাহন আইন উলংঘাকাৰীৰ বিৰুদ্ধে জাগুনত পৰিবহণ বিভাগৰ তীব্ৰ অভিযান, জব্দ কৰা হৈছে বহু যান-বাহন। হেলমেটবিহীন চালক, অভাৰলোডিং আৰু যান-বাহনৰ নিয়ম উলংঘাকাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ লগতে পথ সুৰক্ষা নিশ্চিত কৰাৰ লক্ষ্যৰে ৰাজ্যজুৰি অভিযান অব্যাহত আছে।

প্ৰকাশ: ১৭ নৱেম্বৰ ২০২৬, নিশা ৮:৪২



vehicles seized in Jagun drive against traffic violations (NewzNow)

ৰাজ্যত দিনক দিনে বৃদ্ধি পোৱা পথ দুর্ঘটনা ৰোধ আৰু যাতায়াত ব্যৱস্থা নিৰাপদ কৰি তোলাৰ লক্ষ্যৰে মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাই পৰিবহণ বিভাগলৈ কেইবাটাও গুৰুত্বপূর্ণ তথা কঠোৰ নির্দেশনা জাৰি কৰাৰ লগে লগে জাগুনৰ লগতে সমগ্ৰ ৰাজ্যতে যান-বাহন চেকিং আৰু অভিযান তীব্ৰতৰ হৈ পৰিছে।

এই নির্দেশৰ ফলস্বৰূপে নিয়ম নামানি বাহন চলোৱা বহু যান-বাহন জাগুনত আজি জব্দ কৰা হৈছে।

মুখ্যমন্ত্রীৰ এই নতুন নির্দেশসমূহৰ ভিতৰত প্ৰতিখন জিলাতে পথ সুৰক্ষা আৰু যান-বাহন নিয়ন্ত্রণৰ বাবে বিশেষ টাস্ক ফ'র্চ গঠন, হেলমেট অবিহনে বাইক চলোৱা চালক তথা আইন উলংনাকাৰীৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা, আৰু বাণিজ্যিক বাহন যেনে- ট্ৰেভেলাৰ, বাছ আৰু ই-ৰিক্সাৰ গতিসীমা তথা অভাৰলোডিং ৰোধৰ বাবে কটকটীয়া অভিযান অন্যতম।

ইয়াৰোপৰি, ৰাষ্ট্ৰীয় ঘাইপথসমূহৰ ত্ৰুটিসমূহ দ্ৰুতগতিত মেৰামতি কৰাৰ বাবে NHAI ক সময়সীমা বান্ধি দিয়া হৈছে, পথৰ কাষৰ ধাবা বা হোটেলৰ কৰ্মীসকলক জৰুৰীকালীন প্ৰাথমিক চিকিৎসাৰ প্ৰশিক্ষণ প্ৰদানৰ ব্যৱস্থা কৰা হৈছে, আৰু পৰিবহণ বিভাগৰ কাৰ্যপদ্ধতি শৃংখলাবদ্ধ কৰিবলৈ নতুন SOP প্ৰৱৰ্তনৰ ঘোষণা কৰা হৈছে।

এই কঠোৰ পদক্ষেপসমূহে সাধাৰণ জনতাৰ মাজত সজাগতা বৃদ্ধি কৰাৰ লগতে পথ দুৰ্ঘটনা হ্ৰাস কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/3989/mukhyomontrir-kothor-nirdes-jagunot-ain-ulngghakari-bahonor-biruddhe-tibr-abhija